**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

**HEADLINES (13-01-2025)**

১।	আজি ভোগালী বিহুৰ উৰুকা। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভিন্ন দল সংগঠনৰ নেতাসকলৰ ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন।

২।	চৰাইদেউৰ মৈদামক্ষেত্ৰক আজি বিশ্ব ঐতিহ্যক্ষেত্ৰৰ আনুষ্ঠানিক স্বীকৃতি।

৩।	মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী মৰ্যাদা প্ৰদানৰ বিষয়ে প্ৰকাশ।

৪।	ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অনুমতি।

**আৰু**

৫।	নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি প্ৰথমবাৰৰ বাবে খো খো বিশ্বকাপ ২০২৫ আৰম্ভ।

oooooo

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰাগতভাৱে চলি অহা মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি সন্ধিয়া সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰাম্যাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৰাৰে পৰা আৰম্ভ হৈছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও ক্ৰংকিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ বহুকেইখন সমূহীয়া বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰিবলৈ ওলাইছে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হৈছে আৰু গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটীৰ উজান বজাৰত আজি প্ৰায় ৭০ টন মাছ বিক্ৰী হ'ব বুলি আশা কৰা হৈছে। এই মুহূৰ্তত আমাৰ সহযোগী **মনজিৎ গগৈ** উপস্থিত আছে উজান বজাৰত। খন্তেক সময় আগতে তেওঁ এই প্ৰতিবেদন পঠিয়াইছে।

*(বাইট ঃ মনজিৎ গগৈ)*

ৰাজ্যৰ উজনি-নামনি সকলোৰে বজাৰসমূহত আজি অভিলেখ পৰিমাণৰ মাছ বিক্ৰী হ'ব বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনাইছে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে। আকাশবাণীক দিয়া এই আছুতীয়া শুভেচ্ছাবাণীত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়-

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

মাঘ বিহু উপলক্ষে আন ভালেসংখ্যক নেতা আৰু সংগঠনে অসমবাসীক শুভেচ্ছা জনাইছে। সদৌ অসম ছাত্ৰসন্থাৰ সভিপতি উৎপল শৰ্মাই মাঘ বিহু উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনাই এইদৰে কয়—

**(বাইট ঃ উৎপল শৰ্মা)**

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

আজি উৰুকাৰ দিনা ৰাজ্যখনৰ বতৰ ঘাইকৈ ফৰকাল থাকিব আৰু শেষ নিশা আৰু পুৱাৰ ভাগত ঘন কুঁৱলী পৰিব বুলি বৰঝাৰৰ বতৰ বিজ্ঞান প্ৰতিষ্ঠানে আগলি বতৰা দিছে। উত্তৰ লখিমপুৰত আজি সৰ্বনিম্ন তাপমাত্ৰ ৬ ডিগ্ৰী ছেলছিয়াৰ আশে-পাশে থাকিব। গুৱাহাটীত সৰ্বনিম্ন তাপমাত্ৰ ১১ ডিগ্ৰী, ডিব্ৰুগড়ত সৰ্বনিম্ন তাপমাত্ৰ ১০ ডিগ্ৰী  আৰু যোৰহাটত সৰ্বনিম্ন তাপমাত্ৰ ৯ ডিগ্ৰী চেলছিয়াছৰ আশে-পাশে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। যোৱা ২৪ ঘণ্টাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ দশমিক ২ ডিগ্ৰী ছেলচিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰ আছিল ১১ দশমিক ২ ডিগ্ৰী ছেলচিয়াছ।

উৰুকাৰ নিশা যাতে ৰাজ্যখনত সুৰাপায়ী চালকৰ দ্বাৰা কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে পৰিবহন বিভাগে আজি আবেলিৰ পৰা বিভিন্ন স্থনত তালাচীৰ ব্যৱস্থা কৰিছে। পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে প্ৰকাশ কৰা অনুসৰি  কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়া কাৰ্যালয়ত কালি অনুষ্ঠিত এখন বৈঠকত ভোগালী বিহুৰ দিনকেইটাত পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ বাবে ল'বলগীয়া বিভিন্ন ব্যৱস্থাৱলী সম্পৰ্কত আলোচনা কৰা হয়। অনুৰূপ ধৰণে আন জিলাতো এনে পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয় বুলি আমাৰ সংবাদাতাসকলে জনাইছে।

০০০০০০

ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰা হ'ব। এই উদ্দেশ্যে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই ৰাজ্য চৰকাৰৰ হৈ আনুষ্ঠানিক স্বীকৃতিপত্ৰ গ্ৰহণ কৰিবলৈ যোৱানিশা নতুন দিল্লীৰ পৰা ইতিমধ্যে পেৰিছ অভিমুখে ৰাওনা হৈছে। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত সাংবাদিকসকলৰ আগত কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱা চৰাইদেউ মৈদাম অসমৰ গৌৰৱ। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউৱে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰে। এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে নতুন দিল্লীত অনুষ্ঠিত বিশ্বৰ ঐতিহ্যক্ষেত্ৰৰ ৪৬ সংখ্যক বৈঠকত আহোম ৰাজত্বৰ ইতিহাস বিজড়িত চৰাইদেউৰ ঐতিহাসিক মৈদামসমূহক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া হৈছে।

***(বাইট)***

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে বুলি প্ৰকাশ কৰে। সমাগত গণৰাজ্য দিৱসত মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত পতাকা উত্তোলন কৰিব বুলিও কালি সদৰি কৰে। চলিত বছৰটো কিতাপৰ বৰ্ষৰূপে পালনৰ কথা উল্লেখ কৰি তেওঁ এইক্ষেত্ৰত জনসাধাৰণৰ দিহা-পৰামৰ্শ

বিচাৰে। ৰাজ্যৰ সকলো সমস্যা সমাধান কৰিবলৈ চৰকাৰে প্ৰয়াস চলাই আছে বুলি তেওঁ প্ৰকাশ কৰে। ২০০৬ চনৰ পূৰ্বৰ অপ্ৰাদেশিকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰে  সিদ্ধান্ত লৈছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে সেই সময়ৰ চৰ্তসমূহ পূৰণ কৰিবলৈ অসমৰ্থ হোৱা বহু বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিব পৰা নগ'ল। পৰৱৰ্তী সময়ত বিদ্যালয়সমূহে প্ৰয়োজনীয় অৰ্হতা আহৰণ কৰাৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট বিদ্যালয়সমূহ প্ৰাদেশীকৃত কৰিবলৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নেতৃত্বত কমিটী গঠনৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ অধীনত কৰ্মৰত অংশকালীন তথা নিৰ্ধাৰিত দৰমহাৰ কৰ্মচাৰীসকলৰ সমস্যা সমাধানৰ উদ্দেশ্যে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সৈতে আলোচনা কৰা হৈছে বুলিও তেওঁ সদৰি কৰে। তেওঁ কয়, যে আপোন ঘৰ আঁচনিৰ অধীনত কৰ্মচাৰীৰ ঋণৰ পৰিমাণ ১৫ লাখৰ পৰা ৩০ লাখলৈ বৃদ্ধি কৰা হৈছে। তেওঁ লগতে কয়, যে চৰকাৰী চিকিৎসালয়ত কৰ্মচাৰীসকলৰ চিকিৎসাৰ ব্যয় নগদবিহীন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰিছে। বিবদমান ৯ খন পঞ্চায়তক বাদ দি অতিশীঘ্ৰে ৰাজ্যজুৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্ৰীভূমি, কাছাৰ, হাইলাকান্দি আৰু মৰিগাঁৱক সামৰি এই বিষয়ত ৯ খন লেখ আবেদন দাখিল কৰা হৈছিল। ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে এই সম্পৰ্কত পৰহি স্থগিত ৰখা ৰায়দান কালি প্ৰদান কৰে। এই ৰায় অনুযায়ী ৯ খন লেখ আবদনে সামৰি লোৱা অঞ্চলসমূহৰ বাদে আন পঞ্চায়ত সমূহত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ প্ৰদান কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উচ্চ ন্যায়ালয়ৰ এই ৰায়দানৰ পাছত ব'হাগ বিহুৰ আগে-পাছে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। কামৰূপৰ চাংসাৰিত গৃহ সমষ্টি জালুকবাৰীৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ আয়োজন কৰা এখন সভাত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে অৱগত কৰে।

ইপিনে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ন্যায়ালয়ে অনুমতি প্ৰদান কৰাৰ সমান্তৰালভাৱে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে দৰং জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এখন কাৰ্যকৰ্তা সভাত অংশগ্ৰহণ কৰে। বিজেপি নেতাগৰাকীয়ে সমাগত নিৰ্বাচনত দলটোৱে ঐক্যবদ্ধভাৱে যুঁজ দি জয় সুনিশ্চিত কৰিব বুলি মন্তব্য কৰে। বিৰোধী দল কংগ্ৰেছেও নিৰ্বাচনী তৎপৰতা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইনে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব বুলি মন্তব্য কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিদ্যালয়সমূহত উদ্ভাৱনীমূলক বাতাবৰণ গঢ়ি তোলাটো গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিদ্যালয়ৰ পৰিৱেশে শিশুসকলৰ বৈজ্ঞানিক তথা চিন্তা উদ্ৰেককাৰী মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত। শুৱালকুছিৰ বংশৰৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী মহোৎসৱৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি দিয়া ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজ্ঞানৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে শিক্ষকসকলে বিদ্যালয়সমূহত পঞ্চম শ্ৰেণীৰ পৰা কৃত্ৰিম বুদ্ধিমত্তাৰ শিক্ষা প্ৰদান কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়সমূহত বিজ্ঞানৰ লগতে দবা খেলৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয়, যে এই খেলে মানুহৰ মগজুৰ বিকাশত সহায় কৰে। বিখ্যাত দবা খেলুৱৈ গুকেশৰ প্ৰসংগ উত্থাপন

কৰি তেওঁ কয়, যে পৰৱৰ্তী সময়ত ৰাজ্যত গুকেশৰ দৰে আগশাৰীৰ খেলুৱৈয়ে আত্মপ্ৰকাশ কৰাৰ সম্ভাৱনা আছে। বিদ্যালয়সমূহত যোগাভ্যাস তথা দবাৰ দৰে খেলৰ প্ৰশিক্ষণ দিয়াৰো তেওঁ পোষকতা কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত সমূহীয়াভাৱে গ্ৰন্থ অধ্যয়ন কৰিবলৈ দিয়াৰ জৰিয়তে শিক্ষাৰ প্ৰতি তেওঁলোকৰ ধাউতি বৃদ্ধি হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০

NP REVIEW/RNU (13-01-2025, Morn.)

আজি ভোগালী বিহুৰ উৰুকা। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভোগালীৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে ফটো সহকাৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা**ৰ শিৰোনাম 'হেঁপাহৰ ভোগালীত উমাল অসমীয়া'। **দৈনিক অসম** কাকতৰ শিৰোনাম 'দুৰ্ভোগ পাহৰি ভোগালীৰ উছাহ, আজি উৰুকা'। একেটা বাতৰিকে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবে এইবাৰ আঁহতগুৰিৰ ম'হযুঁজ আৰু হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত নহয়। পেটা ইণ্ডিয়া নামৰ বন্যপ্ৰাণী প্ৰেমী সংগঠনটোৱে জীৱ-জন্তুৰ জৰিয়তে বাধ্যতামূলক কেতবোৰ খেল-ধেমালি কৰাত নিষেধাজ্ঞা বিচাৰি জনোৱা আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ জাৰি কৰিছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে 'উকা হৈ ৰ'ব আঁহতগুৰিৰ পথাৰ, হয়গ্ৰীৱ মাধৱ মন্দিৰ, এইবাৰ নহয় ম'হ, বুলবুলি চৰাইৰ যুঁজ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পাছত ব'হাগ বিহুৰ আগে-পাছে ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে 'Panchayat polls to be delayed for exams: CM' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে 'ন্যায়ালয়ৰ অনুমতি, তথাপি নহয় নিৰ্বাচন' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ফ্ৰান্সত থকা ইউনেস্ক'ৰ মুখ্য কাৰ্যালয়ত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰা হ'ব। এই বাতৰিটোক **আমাৰ অসম** আৰু **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ অহা দেশ-বিদেশৰ পৰ্যটকৰ অন্যতম আকৰ্ষণ কাজিৰঙা জাতিয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান মাঘবিহু উপলক্ষে কাইলৈ বন্ধ থাকিব বুলি কাজিৰঙা জাতিয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান পৰিচালনা সমবায় সমিতিৰ সদস্য সচিব ৰতন ডাৱে জানিবলৈ দিয়ে।

০০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি প্ৰথমবাৰৰ বাবে খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষৰ দল আৰু ১৯টা মহিলাৰ দৰে

অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো ফেডাৰচনে এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰিছে। প্ৰতীক ৰাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্ব মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছ খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

০০০০০০

ঝাৰখণ্ডৰ ৰাঁচিত কালি বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে মহিলাৰ হকী ইণ্ডিয়া লীগ উদ্বোধন কৰা হয়। এই লীগত অংশগ্ৰহণ কৰা ৪টা দলৰ অধিনায়কৰ সৈতে একেলগে বিধায়িকা কল্পনা চোৰেণে হকী ইণ্ডিয়া লীগৰ ট্ৰফী উন্মোচন কৰে। উদ্বোধনী খেলত ওড়িশা ৱাৰিয়ৰ্চে দেলহী এছ জি পাইপাৰ্ছক ৪-০ গ'লত পৰাস্ত কৰে। আজি শ্ৰাচি ৰাঢ় বেংগল টাইগাৰ্ছে জে এছ ডব্লিউ ছুৰ্মা হকী ক্লাবৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব। ইপিনে, ৰুৰকেলাত অনুষ্ঠিত পুৰুষৰ হকী ইণ্ডিয়া লীগত হায়দৰাবাদ টুফানে বেদান্ত কলিংগ লান্সাৰৰ বিৰুদ্ধে ৫-১ গ'লত জয়লাভ কৰে। আজি নিশা ৮ বাজি ১৫ মিনিটত তামিলনাডু ড্ৰেগণে দেলহী এছ জি পাইপাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সমাপ্ত